## শ্ৰীদেবানন্দ ভৰালীৰ সম্বৰ্দ্ধনা সভা

# "তেওঁৰ অৱদান ভৱিষ্যত বংশধৰসকলে পাহৰিব নোৱাৰিব"



( নিজস্ব সংবাদদাতাৰ পৰা )

যোৰহাট : এক অনাড়ম্বৰ অথচ গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানত যোৱা ৩১ অক্টোবৰ দেওবাৰে আবেলি চন্দ্ৰকান্ত সন্দিকৈ ভৱনত অসম সাহিত্য সভাই যোৰহাট শাখা সভাৰ সহযোগত অসমৰ ভাষাতত্ত্ববিদ্ আৰু বয়োবৃদ্ধ সাহিত্যিক শ্ৰীদেবানন্দ ভৰালীক সম্বৰ্দ্ধনা জনায়। শান্ত সুন্দৰ বতৰত দেওবাৰৰ সন্ধ্যা চন্দ্ৰকান্ত ভৱনত ডিব্ৰুগড়ৰ পৰা ধুবুৰীলৈকে অসমৰ বিভিন্ন ঠাইৰ প্ৰায় দুশ প্ৰতিনিধি আৰু দৰ্শকৰ সমাবেশত, অসম সাহিত্য সভাৰ সভাপতি পণ্ডিত, সাহিত্যিক শ্ৰীডিম্বেশ্বৰ নেওগৰ পৌৰহিত্যত অনুষ্ঠান অনুষ্ঠিত হয়।

চাৰিকুৰি দুবছৰ বয়সৰ দেওনা দেই যোৱা, চুটি চাপৰ ভৰালী ডাঙৰীয়াৰ অটুট স্বাস্থ্য আৰু মনোবলৰ মাজত লুকাই আছে এটা সবল সতেজ প্ৰাণ শক্তি। ভৱনৰ সন্মুখত গাড়ীৰ পৰা নমাৰ লগে লগে শ্ৰদ্ধাৰে মালা পিন্ধাই তেখেতক সভা-স্থলীলৈ আগবঢ়াই অনাৰ লগে লগে সমবেত সকলোৱে থিয় দিয়ে আৰু আয়তীসকলে মঙ্গল উৰুলিধ্বনি কৰে। শ্ৰীবীৰেশ্বৰ ভট্টাচাৰ্য্যই উদাত্ত কণ্ঠে বৈদিক স্তোত্ৰাদিৰে মঙ্গলাচৰণ কৰি গাম্ভীৰ্য্যপূৰ্ণভাৱে অনুষ্ঠানৰ কাৰ্য্যসূচীৰ পাতনি মেলে। অনুষ্ঠানত সমবেত হৈছিল যোৰহাটৰ বয়োবৃদ্ধ সাহিত্যিক আৰু সাহিত্য-প্ৰেমীসকল।

মেলে। অনুষ্ঠানত সমবেত হৈছিল যোৰহাটৰ বয়োবৃদ্ধ সাহিত্যিক আৰু সাহিত্য-প্ৰেমীসকল।

সেই সকলৰ ভিতৰত অনেকে এটা সময়ত অসমীয়া ভাষা সাহিত্যৰ বাবে যোগাইছিল সামৰ্থ্যানুযায়ী বৰঙণি। একেলগে এটা অনুষ্ঠানত এই সকলোকে দেখা পোৱাটো অনুজ সকলৰ বাবে আছিল পৰম আগ্ৰহৰ বস্তু।

### [illegible]

বয়োবৃদ্ধ সাহিত্যিক শ্ৰীনকুল চন্দ্ৰ ভূঞাই প্ৰথমে যোৰহাট সাহিত্য সভাৰ তৰফৰ পৰা আদৰণি জনাই কৈছিল, গুণীৰ গুণৰ মোল বুজি শ্ৰদ্ধা জনাব জনাটো জাতিৰ বাবে শুভলক্ষণ। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগে সাহিত্য সভাৰ তৰফৰ পৰা অভিনন্দন পাঠ কৰাৰ পিচত এখন শৰাইত কেইবাখনো পুথি ফুলাম গামোছাসহ ভৰালী ডাঙৰীয়াৰ হাতত অৰ্পণ কৰে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী, বুৰঞ্জীবিদ বেণুধৰ শৰ্ম্মা, অধ্যক্ষ ত্ৰৈলোক্য নাথ গোস্বামীৰ উপৰিও শ্ৰী(সকল) অমিয় কুমাৰ দাস, হৰিপ্ৰসাদ বৰুৱা, খগেন্দ্ৰ চন্দ্ৰ বৰুৱা, ডাঃ প্ৰমোদ ভট্টাচাৰ্য্য আৰু অসমৰ বিভিন্ন শাখা সাহিত্য সভাৰ তৰফৰ পৰা ভৰালী ডাঙৰীয়াৰ অৱদানৰ বাবে শ্ৰদ্ধা জনাই অনুষ্ঠানৰ প্ৰতি শুভেচ্ছা বাণী পঠায়। অসম সাহিত্যসভাৰ প্ৰাক্তন সভাপতি বাগ্মীবৰ নীলমণি ফুকনে উদাত্ত কণ্ঠেৰে ভৰালী দেৱৰ অৱিহণাৰ বাবে সশ্ৰদ্ধ প্ৰশংসা জনায় আৰু সেইদিনা ছপাশালৰ পৰা ওলোৱা শ্ৰীফুকনৰ "আহুতি" আৰু "মৰাভালৰ কুঁহিপাত" নামৰ দুখনি পুথি ভৰালী ডাঙৰীয়াৰ হাতত অৰ্পণ কৰে। শ্ৰীফুকনে কয় "সাহিত্যিকৰ জীৱন সৰ্ব্বতোমুখী আৰু বাস্তৱৰ লগত ঘনিষ্ঠ ভাৱে জড়িত থাকিব লাগিব।"

### যুগৰ ইতিহাস

সম্বৰ্দ্ধনাৰ উত্তৰত শ্ৰীভৰালী ডাঙৰীয়াই এটি সৰস দীঘলীয়া ভাষণ দিয়ে। তেখেতে কয়, "এনে শ্ৰদ্ধা আৰু মৰম মোৰ দেশবাসীৰ পৰা মই পাম বুলি আশা কৰা নাছিলো। মোৰ জীৱনটো শুকান মৰুভূমি। সময়

আশা কৰা নাছিলো। মোৰ জীৱনটো শুকান মৰুভূমি। সময়

বালিত মই একো চিন থৈ যাব পৰা নাই" বুলি বিনম্ৰভাৱে তেখেতে আক্ষেপ কৰে। "এই দিনত মই সকলোকে স্মৰণ কৰিছো বুলি তেখেতে ভাৰতৰ খেতিয়ক, বৰুৱা, বণুৱা, বণিক, শিক্ষক, বুদ্ধিজীৱি সকলোকে শ্ৰদ্ধা জনায় আৰু নিজৰ এৰি অহা অতীতৰ মাজলৈ ঘূৰি যায়। মাননীয় ৺দীন নাথ বেজবৰুৱা, ৺আনন্দ চন্দ্ৰ আগৰৱালাৰ কথা সোঁৱৰে। কলিকতাত আইন পঢ়িবলৈ যাওঁতে জাহাজ দুৰ্ঘটনাৰ সুন্দৰ সৰস বস্তুৰ বৰ্ণনাই শ্ৰোতাক কৰি তুলিছিল উৎকণ্ঠিত। ১৯০৫ চনত কলিকতাৰ ফুটপাথৰ দোকানত পোৱা 'প্ৰাকৃত ব্যাকৰণ' এখনেই ভাষাতত্ত্ব অধ্যয়নৰ বাবে তেখেতক কৰি তুলিলে অনুপ্ৰাণিত। ভৰালী ডাঙৰীয়া এটা যুগৰ "ইতিহাস" স্বৰূপ হৈ পৰিছে। তেখেতৰ বৰ্ণনাত অতীত মধুৰ হৈ ফুটি উঠিছে। কিন্তু কথাৰ মাজতে সৰু খেমেলীয়া কথাৰ অৱতাৰণা কৰিবলৈও পাহৰি যোৱা নাই, যিদৰে পাহৰা নাই গধুৰ বিতৰ্ক মূলক প্ৰশ্নৰ অৱতাৰণা কৰিবলৈ। তেখেতে কয়, "অসমৰ এতিয়াৰ সাহিত্যকাশত নতুন তৰাকাৰ জেউতি জিলিকিছে। আজিৰ সাহিত্য বহুমুখী হৈছে; ভাষা ভাৱত আগতকৈ উন্নত হৈছে।"

### জীৱন জিজ্ঞাসা

ভাষণৰ শেষাংশ হৈ পৰিছিল গভীৰ জীৱন জিজ্ঞাসাৰ পৰিচয় জ্ঞাপক। "নৈসৰ্গিক প্ৰকৃতি আৰু সংসাৰৰ বিচিত্ৰতা দেখি মই কেছুৱা কালত যিদৰে বিস্মিত হৈছিলো, এতিয়াও সমানেই বিস্মিত হও।" এই ৰহস্যৰ আঁৰত কি আছে তাক পাবলৈ, জানিবলৈ যেন উদগ্ৰ ব। জীৱনৰ প্ৰেৰণাৰ বিচাৰ কৰি তেখেত আধ্যাত্মিক ভাৱনাৰ শিখৰলৈ উঠি গৈছে। কিন্তু মাটিৰ পৃথিৱীৰ কথাও পাহৰি যোৱা নাই। দেশত ক্ষমতা লাভৰ আকাংক্ষাৰ প্ৰবলতা দেখি ক্ষুব্ধ হৈছে আৰু এই ক্ষুব্ধতা তেখেতৰ সমাজসচেতন মনৰ পৰিচয়ক। শেষত তেখেতে বৈদিক মন্ত্ৰধ্বনি উচ্চাৰণ কৰি কৈছিল "অমৃতস্য পুত্ৰ: উত্তিষ্ঠত,

মনৰ পৰিচয়ক। শেষত তেখেতে বৈদিক মন্ত্ৰধ্বনি উচ্চাৰণ কৰি কৈছিল "অমৃতস্য পুত্ৰ: উত্তিষ্ঠত,

জাগ্ৰত।"

অনুষ্ঠানৰ পৌৰোহিত্য কৰি সভাপতিৰ আসনৰ পৰা শ্ৰীডিম্বেশ্বৰ নেওগে কয়, "অসমীয়া ভাষাৰ মৌলিক বিচাৰ" গ্ৰন্থই অসমীয়া ভাষাতত্ত্ব গৱেষণাৰ প্ৰথম পদক্ষেপ। শ্ৰীনেওগে ঘোষণা কৰে—"শ্ৰীযুত ভৰালীৰ অসমীয়া ভাষাতত্ত্বলৈ বৰঙণি ভৱিষ্যত বংশধৰ সকলে পাহৰিব নোৱাৰিব।"

---

# বোকাখাট হাইস্কুলৰ সজ কাম

( নিজস্ব সংবাদদাতাৰ পৰা )

বোকাখাট : বোকাখাট হাইস্কুলৰ দশম মান শ্ৰেণীৰ ছাত্ৰ এজন টি, বি ৰোগত আক্ৰান্ত হয়। ডিব্ৰুগড়ত পৰীক্ষা কৰাই অনোৱাৰ পিচত তেওঁ এতিয়া বোকাখাট চৰকাৰী হাস্পতালৰ ডাক্তৰৰ চিকিৎসাধীন হৈ আছে। অসমৰ কোনো এখন মেডিকেল কলেজত এটা বিনামূলীয়া ছিট পাবৰ বাবে আবেদন নিবেদন কৰা হৈছে। ছিট নোপোৱা পৰ্য্যন্ত ইয়াত চিকিৎসা কৰিবৰ বাবে আৱশ্যকীয় সকলো খৰচ বহন কৰিবৰ বাবে বোকাখাট হাইস্কুলৰ শিক্ষক আৰু ছাত্ৰসকলৰ সাত জনীয়া এখন কমিটি গঠন কৰা হৈছে। ছাত্ৰজন অতি দুখীয়া। তেওঁৰ বেজী আৰু আৱশ্যকীয় পুষ্টিকৰ খাদ্যৰ দিহা এই কমিটিয়েই কৰিছে।